NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 28-**11-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১।  দেশৰ এটা আগশাৰীৰ ব্যৱসায়ী গোষ্ঠীৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগকে ধৰি বিভিন্ন বিষয়ক লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ বাবে সংসদৰ উভয় সদনৰ কাম-কাজ আজি একেৰাহে তৃতীয় দিনৰ বাবেও স্থগিত ৰাখিবলগীয়া হয়।

২।  ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ সম্প্ৰসাৰণৰ বাবে সদস্য ৰাষ্ট্ৰসমূহৰ মাজত সমৰ্থন আদায় কৰাৰ বাবে ভাৰতে অন্য দেশৰ সৈতে একেলগে কাম কৰি আছে।

৩।  ভাৰতে বাংলাদেশক হিন্দু আৰু অন্য সংখ্যালঘু সম্প্ৰদায়ৰ লোক আৰু তেওঁলোকৰ উপাসনা স্থলীসমূহৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ আহ্বান জনাইছে।

৪।  নেতা হেমন্ত ছোৰেনে আজি চতুৰ্থবাৰৰ বাবে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিছে।

***আৰু***

৫।  ভাৰতৰ পি ভি সিন্ধুৱে লক্ষ্ণৌত অনুষ্ঠিত ছয়দ মোদী আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

oooooooo

দেশৰ এটা আগশাৰীৰ ব্যৱসায়ী গোষ্ঠীৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগকে ধৰি বিভিন্ন বিষয়ক লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ ফলত সংসদৰ উভয় সদনৰ কাম-কাজ আজি একেৰাহে তৃতীয় দিনৰ বাবেও স্থগিত ৰাখিবলগীয়া হয়।

লোকসভাত আজি কেৰালাৰ ৱায়নাড়ৰ পৰা নিৰ্বাচিত কংগ্ৰেছ সাংসদ প্ৰিয়ংকা গান্ধী আৰু মহাৰাষ্ট্ৰৰ নান্দেড় সমষ্টিৰ পৰা নিৰ্বাচিত বিজেপি সাংসদ ৰবীন্দ্ৰ বসন্ত ৰাও চাৱনে শপত গ্ৰহণ কৰাৰ পাছতেই  কংগ্ৰেছ, সমাজবাদী পাৰ্টী, ডি এম কে আৰু অন্যান্য বিৰোধী দলসমূহে তেওঁলোকৰ প্ৰশ্নৰ উত্তৰ বিচাৰি সংসদ উত্তাল কৰি তোলে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সংসদৰ গৰিমা আৰু শিষ্টাচাৰ অটুত ৰাখিবৰ বাবে আহ্বান জনায় যদিও সদস্যসকলে  হুলস্থূলীয়া পৰিৱেশ অব্যাহত ৰাখে। অধ্যক্ষই উত্তেজিত  বিৰোধী সদস্যসকলক নিজৰ আসনলৈ উভতি যাবলৈ কয় আৰু সদনৰ কাম-কাজ ব্যাহত কৰিবলৈ তেওঁলোকে পূৰ্ব-পৰিকল্পিতভাৱে  চেষ্টা কৰিছে নেকি বুলি প্ৰশ্ন কৰে। হুলস্থুলীয়া পৰিৱেশৰ মাজতে অধ্যক্ষ  বিৰলাই প্ৰশ্নকাল চলাই নিয়াৰ চেষ্টা কৰে যদিও তেওঁৰ প্ৰচেষ্টা ব্যৰ্থ হয়। ইয়াৰ পাছতে অধ্যক্ষই প্ৰথমে দুপৰীয়া ১২ বজালৈ আৰু পাছত দিনটোৰ বাবে সদনৰ কাম-কাজ স্থগিত ৰাখে।

ৰাজ্যসভাতো আজি দিনটোৰ কাৰ্যক্ৰমণিকা আৰম্ভ হোৱাৰ সময়ত কংগ্ৰেছ সাংসদ প্ৰমোদ তিৱাৰীয়ে ২৬৭ অধিনিয়মৰ অধীনত দেশৰ এটা আগশাৰীৰ ব্যৱসায়িক গোষ্ঠীৰ বিৰুদ্ধে উত্থাপিত উৎকোচ গ্ৰহণ আৰু অন্যান্য

বিষয়সমূহ সন্দৰ্ভত সভাস্থগিত প্ৰস্তাৱ উত্থাপনৰ দাবী জনায়। তেওঁক অন্যান্য বিৰোধী সদস্যসকলেও সমৰ্থন জনায়। উচ্চ সদনৰ সভাপতি জগদীপ ধনখড়ে বিৰোধী দলসমূহৰ সভাস্থগিত প্ৰস্তাৱ অগ্ৰাহ্য কৰাত পুনৰ হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি হয় আৰু সদন দিনটোৰ বাবে স্থগিত ৰখা হয়।

oooooooo

ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ সম্প্ৰসাৰণৰ বাবে সদস্য ৰাষ্ট্ৰসমূহৰ মাজত সমৰ্থন আদায় কৰাৰ বাবে ভাৰতে অন্য দেশৰ সৈতে একেলগে কাম কৰি আছে। বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি ৰাজ্যসভাত এটা লিখিত উত্তৰত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে চৰকাৰে ৰাষ্ট্ৰসংঘৰ সম্প্ৰসাৰিত নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য পদ লাভত সৰ্বাধিক গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে ভাৰতে দ্বিপাক্ষিক আৰু বহুপাক্ষিক পৰ্যায়ত আৰু নিৰাপত্তা পৰিষদৰ সংস্কাৰৰ বাবে চলি থকা আন্তঃ চৰকাৰী আলোচনাত প্ৰচেষ্টা অব্যাহত ৰাখিছে। ড০ জয়শংকৰে কয়, যে ভাৰতে জি-ফ'ৰ ৰাষ্ট্ৰগোষ্ঠীৰ সদস্য ৰাষ্ট্ৰ জাপান, ব্ৰাজিল আৰু জাৰ্মানী তথা এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ উন্নয়নশীল দেশৰ বিভিন্ন আঞ্চলিক গোটৰ সৈতে একেলগে কাম কৰি আছে। চৰকাৰে বিষয়টো লৈ গ্লোবেল ছাউথৰূপে পৰিচিত অৰ্থনৈতিক আৰু ঔদ্যোগিক দিশৰ পৰা তুলনামূলকভাৱে কম উন্নত দেশসমূহৰ সৈতে অহৰহ সম্পৰ্ক ৰক্ষা কৰি আছে বুলি বিদেশ মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ সংস্কাৰৰ বাবে ৰাষ্ট্ৰসংঘ চনদত সংশোধনৰ প্ৰয়োজন হ'ব। ভালেসংখ্যক দেশে নিৰাপত্তা পৰিষদৰ ব্যাপক সংস্কাৰৰ বাবে মত পোষণ কৰা বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয়, যে নিৰাপত্তা পৰিষদৰ পাঁচখন স্থায়ী সদস্য ৰাষ্ট্ৰ আমেৰিকা যুক্তৰাষ্ট্ৰ, চীন, ফ্ৰান্স, ৰাছিয়া আৰু ব্ৰিটেইনৰ অধিকাংশসহ কেইবাখনো দেশে ভাৰতৰ স্থায়ী সদস্য পদৰ প্ৰতি সমৰ্থন আগবঢ়াইছে।

oooooooo

ভাৰতে বাংলাদেশক হিন্দু আৰু অন্য সংখ্যালঘূ সম্প্ৰদায়ৰ লোক আৰু তেওঁলোকৰ উপাসনা স্থলীসমূহৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ আহ্বান জনাইছে। বিদেশ ৰাজ্য মন্ত্ৰী কীৰ্তি বৰ্ধন সিঙে আজি ৰাজ্যসভাত এটা লিখিত উত্তৰত কয়, যে সংখ্যালঘূসহ বাংলাদেশৰ সকলো নাগৰিকৰ জীৱন আৰু স্বাধীনতা ৰক্ষা কৰাটো সেই দেশৰ চৰকাৰৰ প্ৰাথমিক দায়িত্ব। বিগত কেইটামান মাহৰ ভিতৰত চুবুৰীয়া ৰাষ্ট্ৰখনৰ হিন্দু মন্দিৰ আৰু মূৰ্তি লণ্ড-ভণ্ড কৰাৰ কেইবাটাও ঘটনা সংঘটিত হোৱাৰ বাতৰি পোৱা গৈছে। শ্ৰী সিঙে কয়, যে ভাৰতে এইবাৰ দুৰ্গাপূজাৰ সময়ত ঢাকাৰ তাঁন্তি বাজাৰৰ পূজা মণ্ডপৰ ওপৰত হোৱা আক্ৰমণ আৰু শতখিৰাৰ যেছোৰেশ্বৰী কালী মন্দিৰৰ চুৰি কাণ্ডকে ধৰি এনে ধ্বংসৰ ঘটনাক লৈ উদ্বেগ প্ৰকাশ কৰিছে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতীয় ইতিহাস আৰু সংস্কৃতিৰ প্ৰতি গোলকীয় উৎসাহক লৈ সন্তুষ্টি প্ৰকাশ কৰিছে। শ্ৰী মোদীয়ে আজি সামাজিক মাধ্যম যোগে কয়, যে ভাৰতীয় সংস্কৃতিয়ে বিশ্ব পৰ্যায়ত অনুৰণৰ সৃষ্টি কৰিছে। নিজৰ বিদেশ যাত্ৰাৰ ছবি শ্বেয়াৰ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে আমাৰ ইতিহাস-সংস্কৃতিৰ প্ৰতি এই অপাৰ আগ্ৰহ সঁচাকৈ আনন্দদায়ক।

oooooooo

প্ৰধানমন্ত্ৰী পদ পথ ব্যৱসায়ী আত্ম নিৰ্ভৰ আঁচনি চমুকৈ পি এম সৰ্বনিধিৰ অধীনত এতিয়ালৈকে ৬৭ লাখৰো অধিক লোক উপকৃত হৈছে। নগাৰঞ্চলত ক্ষুদ্ৰ ব্যৱসায় কৰা এই লোকসকললৈ ৫০ হাজাৰ টকা পৰ্যন্ত চৰ্তহীন হ্ৰস্বম্যাদী মূলধনী ঋণ প্ৰদানৰ বাবে ২০২০ চনত এই আঁচনিখন আৰম্ভ কৰা হৈছিল। গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ৰাজ্য মন্ত্ৰী তোষাণ চাহুৱে লোকসভাত এটা প্ৰশ্নৰ লিখিত উত্তৰত এই কথা প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে বৰ্তমানলৈ ১৩ হাজাৰ কোটি টকাৰো অধিক মূল্যৰ প্ৰায় ৯৩ লাখ ঋণি প্ৰদান কৰা হৈছে।

০০০০০০০০

ঝাৰখণ্ড মুক্তি মৰ্চাৰ বিধায়িনী দলৰ নেতা হেমন্ত ছোৰেনে আজি চতুৰ্থবাৰৰ বাবে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিছে। আজি বিয়লি ৰাঁচীৰ মোৰহাবাৰী খেলপথাৰত আয়োজিত এটা আড়ম্বৰপূৰ্ণ অনুষ্ঠানত ৰাজ্যপাল সন্তোষ কুমাৰ গংগোৱাৰে তেওঁক কাৰ্যভাৰ গ্ৰহণ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱায়। শপতগ্ৰহণ অনুষ্ঠানত কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী, পশ্চিমবংগৰ মখ্যমন্ত্ৰী মমতা বেনাৰ্জী, মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমা, পাঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱন্ত মান, হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী সুখবিন্দৰ সিং সুখু, আম আদমী পাৰ্টীৰ নেতা অৰবিন্দ কেজৰিৱাল, সমাজবাদী পাৰ্টীৰ নেতা অখিলেখ যাদৱ, পি ডি পিৰ নেত্ৰী মেহমুবা মুফতি, শিৱসেনাৰ নেতা উদ্ধৱ ঠাকৰে আৰু আৰ জে ডিৰ নেতা তেজস্বী যাদৱকে ধৰি ইণ্ডি মৰ্চাৰ ভালেকেইগৰাকী নেতা উপস্থিত আছিল। উল্লেখযোগ্য যে সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনত ঝাৰখণ্ড মুক্তিমৰ্চা নেতৃত্বাধীন মৰ্চাই বিধানসভাৰ ৮১ খন আসনৰ ভিতৰত ৫৬ খন আসন লাভ কৰি নিৰংকুশ সংখ্যাগৰিষ্ঠতা অৰ্জন কৰিছিল। ৪৯ বছৰীয়া হেমন্ত ছোৰেন ঝাৰখণ্ডৰ চতুৰ্দশগৰাকী মুখ্যমন্ত্ৰী হ'ব।

০০০০০০০০

পাকিস্তানে যোৱা জুলাইত বিনিময় কৰা তালিকা অনুসৰি ২১১ জন ভাৰতীয় মাছমৰীয়া দেশখনৰ জিম্মাত থকাৰ কথা স্বীকাৰ কৰিছে। ৰাজ্য সভাত আজি এটা লিখিত উত্তৰত বিদেশ ৰাজ্য মন্ত্ৰী কীৰ্তি বৰ্ধন সিঙে এই কথা সদৰি কৰে। তেওঁ কয়, যে পাকিস্তানৰ জিম্মাত থকা মাছমৰীয়াসকলৰ ভিতৰত ১৩৯ জন গুজৰাটৰ।

০০০০০০০০

ইজৰাইত প্ৰায় ৩২ হাজাৰ ভাৰতীয় শ্ৰমিক আছে। ইয়াৰে ভিতৰত  যোৱা বছৰৰ অক্টোবৰৰ পাছত পশ্চিম এছিয়াৰ দেশখনলৈ যোৱা প্ৰায় ১২ হাজাৰ শ্ৰমিক আছে। বিদেশ ৰাজ্যমন্ত্ৰী কীৰ্তি বৰ্ধন সিঙে আজি ৰাজ্যসভাত এই কথা প্ৰকাশ কৰি কয়, যে যোৱা বছৰ নৱেম্বৰত স্বাক্ষৰিত দ্বিপাক্ষিক পৰিকাঠামো চুক্তিৰ অধীনত এই বছৰ ছহাজাৰ ৩৬৫ জন ভাৰতীয় ইজৰাইললৈ গৈছে। বাকীসকল লোক ব্যক্তিগত মাধ্যমেৰে যোৱা বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০০০০

ভাৰত আৰু কানাডাই দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ স্থিতিৰ বিষয়ে পৰস্পৰৰ সৈতে যোগাযোগ ৰক্ষা কৰি আছে। বিদেশ ৰাজ্য মন্ত্ৰী কীৰ্তি বৰ্ধন সিঙে আজি ৰাজ্যসভাত এটা লিখিত উত্তৰত এই কথা সদৰি কৰে। তেওঁ কয় যে, সুস্থিৰ দ্বিপাক্ষিক সম্পৰ্কৰ বাবে পৰস্পৰৰ উদ্বেগ, ভৌগলিক অখণ্ডতা আৰু সাৰ্বভৌমত্তৰ প্ৰতি সন্মান পূৰ্ব চৰ্ত স্বৰূপ। নতুন দিল্লী মহলে ভাৰত বিৰোধী শক্তিসমূহৰ বিৰুদ্ধে ফলপ্ৰসূ আৰু ক্ষীপ্ৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ অহৰহ কৈ আহিছে বুলি তেওঁ মন্তব্য কৰে।

oooooooo

ভাৰতৰ পি ভি সিন্ধুৱে লক্ষ্নৌত অনুষ্ঠিত ছয়দ মোদী আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। সিন্ধুৱে আজি প্ৰী-কোৱাৰ্টাৰ ফাইনেলত নিজ দেশৰে ইৰা শৰ্মাক ২১-১০, ১২-২১, ২১-১৫ গেমত পৰাস্ত কৰে। একেদৰে উন্নতি হুদাই  আন এখন খেলত থাইলেণ্ডৰ প'ৰ্ণপিচা চ'ৱেকীৱঙক ২১-১৮, ২২-২০ গেমত পৰাভূত কৰি মহিলাৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে।

ভাৰতৰ লক্ষ্য সেন, মীৰাবা লুৱাং মেইছনাম আৰু আয়ুষ ছেট্টীও পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। লক্ষ্য সেন কাইলৈ কোৱাৰ্টাৰ ফাইনেলত মীৰাবাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooooo

সমাপ্ত